কটকীক ধাৰোণে তুলি অনেক যৌতক লগত দি ৰত্নমালা কন্যাক মহাৰাজালৈ দি পঠালে। তাৰেপৰা নৰনাৰায়ণ ৰাজাৰে মিত্ৰতা হল। ১৬১ ॥

সাতৰাজ্য মাৰি একৰাজ্য।—আতপাচে বাৰভূঞাক মাৰি বশ কৰিলে। চুঙ্গিকো মাৰিলে। এতেকেহে সাতৰাজ্য মাৰি একৰাজ্য কৰিলে বুলি কয়। তাৰে লেখা,—চুটিয়া ১, কছাৰী ১, কমতেশ্বৰ ১, তুৰবঙ্ক ১, পভিলাজহা ১, এধাৰেসিন্দুৰ ১, বাৰভূঞা ১, চুঙ্গি ১, এই আঠৰাজ্য। এতেকেহে ৰূপৰ আঠচুকীয়া মোহৰ মাৰিলে। আতপাচে চোৰাতল গড় বান্ধিলে। ১৬২ ॥

ৰাজভক্ত মোমাই-তামুলী বৰবৰুৱা।—উপৰ-বুঢ়াৰাজাদেৱৰ দিনত মোমাই-তামুলী বৰবৰুৱা হৈছে। এনেতে একদিনা ৰাজাদেৱে হাতীত উঠি দল'গুৰি নগৰৰ চুকৰপৰা চৰাইদেৱৰ ঘৰলৈ আলিটি বান্ধিবৰ নিমিত্তে পোনাই চিয়ঁৰী পুতি গৈছে। পাচে-পাচে বৰুৱা গুচাই গৈছে। পাচে ৰাজাদেৱে উলটি চাই দেখে চিয়ঁৰী এডালি নাই। বোলে, কোনে তুলিলে? বৰবৰুৱা বোলে, মঞি তুলিলোঁ। যদি স্বৰ্গদেৱে সোধে তেবে বন্ধা পৰো, যদি নোসোধে কাটিব দিবহে লাগে। ৰাজাদেৱে খঙ্গ কৰি পৰ্ব্বতৰ ঘৰ সোমাই চৌখাম কৰি সুধিলে, বোলে, যদি সামান্যেও খুটা পোতে তাকো তুলিব নাপায়। মঞি আপোনহাতে পোতা খুটা তুলিব পাইনেকি? বৰুৱা বোলে, মোত দাই নাই। শত্ৰুৰাজ্যৰ মানুহ আতে আছে। সি বুলিব এই ৰাজ্যত মন্ত্ৰী নাই, আলিটো বান্ধিব লাগিলেও ৰাজা আপুনিহে নিয়ম কৰে। এই দুৰ্ষ্যশস্যা দেশে-দেশে যাই বুলিহে তুলিছোঁ। আৰু স্বৰ্গদেৱৰ যদি কাৰ্য্য-কাম কৰিব নোৱাৰিম, মোকনো এই নাম কেলেই দিলে। এইকথা কলন্ত গৈ ৰাজাদেৱে সন্তোষ হৈ সোণৰ কেৰুএৰে বঁটা দি বোলে, জেঠেৰীয়ে উত্তম কৰিলে, মন্ত্ৰীহে হয়। ১৬৩ ॥

মোমাই-তামুলীৰ প্ৰজা সংগঠন।—আৰু ৰাজাদেৱে বৰুৱাক ৰাজ্যৰ মানুহ ভাগে-ভাগে পিয়ল কৰি পাতিব দিলে। বৰুৱা

বোলে, স্বৰ্গদেৱে উত্তমহে বুলিছে। ৰাজ্যক নিয়ম কৰি পতা সামান্যৰ কাৰ্য্য নহয়, তিনিজনা ডাঙ্গৰীয়াৰহে কাৰ্য্য। সামান্যেও পাতিব পাৰে, আকে দেশে-দেশে দুৰ্য্যশস্থা গাব, আচমৰ অল্পৰাজ্য সামান্যেও পাতিব পাৰে। এতেকেহে তিনিজনা ডাঙ্গৰীয়াক স্বৰ্গদেৱে আজ্ঞা কৰিব লাগে। ৰাজাদেৱে বোলে, জেঠেৰীয়ে উত্তমহে কৈছে। তঞি অথন কুঁৱৰীবোৰৰ, লৰাবোৰৰ, তিনিজনা ডাঙ্গৰীয়াৰ, ভাগে-ভাগে মানুহ ফালি আনি নিয়ম কৰি ৰাজ্য পাত। পাচে ডাঙ্গৰীয়াসকলক মাটি-বাৰী দি পাতিবলৈ বুলিম। বৰুৱা বোলে, এই কাৰ্য্যৰ মানুহ নৌ হওঁ। তথাপি স্বৰ্গদেৱে আজ্ঞা কৰিছে। স্বৰ্গদেৱৰ চৰণত মঞি বন্দীক অনেকেয়ো লগাব। যদি তাত মন নিদিব, তেবেহে পাতিব পাৰোঁ। ৰাজাদেৱে বোলে, ভাল, জেঠেৰীয়ে তঞি নাহমানে কাৰো কথা নোসোধো। পাচে বৰুৱা গৈ সমস্তবো ভাগে-ভাগে মানুহ ফালি আনি তাৰে, আৰু অনিয়মে যিসকল আছিল তাকো নিয়ম কৰি তিনিপোৱা গোট, তাৰ কুৰিত ৰবাটো, এশৰ ভিতৰত শইকীয়াটো, হাজাৰত তাৰ হাজৰিকাটো,—এই নিয়মে ৰাজ্য পাতিলে। ৰৰজনা আইকুঁৱৰী প্ৰমুক্ষে সকলেও ৰজাদেৱত কলে, অন্যায় কৰি ৰাজ্য ভাঙ্গিলে হেন বুলি। সি কথাত ৰাজাদেৱে মন নিদিলে। পাচে তিনিজনা ডাঙ্গৰীয়াক মাতি আনিব. দি বোলে, মোকো যিমানে আটিব, কুঁৱৰী গোহাঁই গাভৰুবোৰক যিমানে আটিব, ভইঁতকো যিমান আটিব তাকো নিয়ম কৰি দি কাঁড়ী পাইকক আঠ-পুৰাকৈ, চমুৱাক সাতপুৰীয়াকৈ পাতিবিহঁক। আৰু কুৰি-বৰুনীয়া পাইকক কুৰিত ২০-বি মাটি দি আহিবিহঁক, বঢ়াকৈ তাৰ পালপচা দিবৰ নিমিত্তে। এইবুলি ৰাজাদেৱে টাৰ নিয়ম কৰিলে, সাতহাত বেগত চাৰি আঙুল, আগে-গুৰিয়ে কপৰ বেৰি দি। পাচে সেই নিবন্ধে গোহাঞিবোৰে যাক যিদৰে দিব লাগে, সেই নিয়মে পাতিলে। ১৬৪॥

বন্দীয়াৰত মোমাই-তামুলী।—আতপাচে ৰাজাদেৱে বাইলুং

দেওধাই গণকক আনি সুধিলে, বোলে, তহঁতে মোবো, পাত্ৰ-মন্ত্ৰীৰো, ৰাজ্যৰো কুশলাকুশল চাই কহাঁক। সকলেয়ো চাই বোলে, স্বৰ্গদেৱৰো, পাত্ৰ-মন্ত্ৰীৰো, ৰাজ্যৰো কিছু নাই। স্বৰ্গদেৱৰ মুখ্য-মন্ত্ৰীটো মৰিব লাগে। ৰাজাদেৱে বোলে, মোৰ মন্ত্ৰী জেঠেৰীহে। সেয়ে যদি মৰিব মইনো ৰাজা কোনেৰে হম? আৰে ৰক্ষাৰ কি উপায় আছে? সিহঁতে বোলে, যদি স্বৰ্গদেৱে কেঞে নজনাকৈ তাৰ লৰা-তিৰোতা, বন্দী-বেটী, ধন-সৰ্ব্বহ সকলকো আনি বকৰাক ভাঙ্গি ঘৰতে ৰখীয়া দি এবৎসৰ থৰ, তেবে ৰক্ষা পৰিব। ৰাজাদেৱে বোলে, ভাল। যাৰ মুখে এই কথা ওলায় তাক মঞি কাটিম। এইবুলি তাৰ তিৰোতা আনি বোৰা-কটা শালত দিলে, লৰাবোৰক হাতীশালত বন্দী কৰি থোৱালে, ধন-সৰ্ব্বহ আনি ৰৰভঁৰাৰত থলে; বেটী-বন্দী, গৰু-মহ আনি জয়খামডাঙ্গত দিলে। বকৰাকো ভাঙ্গি ঘৰতে ৰখীয়া দি বন্দী কৰি থলে। আৰ অভিপ্ৰায়ক কেৱে নুবুজিলে। বকৰা বোলে, মঞি কিছু অপৰাধ আচৰা নাইহেন মনে চোৱে। মোৰনো কিয় এনে অৱস্থা হল? ৰখীয়াসকলে বোলে, আক আমি নাজানো। পাচে এবছৰ হবলৈ তিনিদিন আছে। এনেতে ৰৌমৰিয়া গণক ভঁৰাৰী বকৰাৰ ঘৰলৈ ৰাতি বকৰা বিশ্বাসে গৈ সুধিলে। ধাৰাণে বহুৰাই বোলে, মঞি কব নোৱাৰোঁ। তেও তিনিদিনৰ মূৰত মুকলি হৈ পূৰ্ব্বৰতে বহিবা। আৰু কাৰণ আছে, পাচে জানিবা। পাচে বৎসৰ পূৰি হলত বকৰাক আনি পূৰ্ব্বৰতে বকৰা পাতি সকলকে উলিয়াই দি বোলে, জেঠেৰী, তোৰ মৰিব লগা হৈছিল। এতেকেহে তোক এনে আখাৰ কৰিলোঁ। তঞি দুখ নকৰিবি। সেই সময়ত হাতী-পোৱালি গোহাঁই ভিতৰুৱাল ফুকন, তেওঁকে মানুহ-দুনুহটো পচা-পালা কৰিব দিছিলে। ১৬৫॥

স্বৰ্গদেৱলৈ জয়ন্তাৰ কন্যা।—আতপাচে মহাৰাজা শীতলিয়া কটকীক জয়ন্তালৈ পাচিলে কুশলাকুশল জানিবৰ নিমিত্তে। জয়ন্তা

ৰাজা বোলে, শীতলিয়া, স্বৰ্গমহাৰাজা যদি কছাৰীৰ সাতগাৱঁৰ
বাটেদি নিব মঞি কন্যা এটা দিম। এইকথা কলতহি ৰাজাদেৱে
তিনিজনা ডাঙ্গৰীয়াক নি সুধিলে। „ডাঙ্গৰীয়াসকলে বোলে, যাচি '67
দিয়া হলে সামান্য বস্তুকো এৰিব নাপায়॥ যচা কন্যা কিয় এৰা
যাব? শীতলিয়া যাউক, কছাৰীএ সাতগাৱেঁদি বাট দিএনে নিদিএ
জানি আহোক। কছাৰীএ বোলে, ইও ৰাজ্য স্বৰ্গমহাৰাজাৰে,
তথাপি জয়ন্তাৰ জীয়ৰী আনিবলৈ বাট দিব নোৱাৰোঁ। এইকথা
শুনি ৰাজাদেৱে পৰ্ব্বতীয়া চাউপেত বুঢ়াগোহাঞি, খামপাট বৰ-
গোহাঞি, লাকু মৰাণপাত্ৰ গোহাঞি, এই তিনিজনা ডাঙ্গৰীয়া
সহিতে সকলেৰে আলচ কৰি বোলে, সি যে কছাৰীয়ে বাট দিব
নোৱাৰোঁ বোলে, তাক মাৰি জয়ন্তাৰ কন্যা অনা যাউক। ১৬৬॥

কছাৰী ৰণত সোন্দৰ গোহাঁইৰ মৃত্যু।—এইবুলি সোন্দৰ গোহাঁঞি নাওবৈচা ফুকনক ২০,০০০ হাজাৰ মানুহ দি পাচিলে। সোন্দৰ গোহাঁই অভিপ্ৰায়ক বুজি বোলে, স্বৰ্গদেৱৰ ভাল খোৱা-পিন্ধা অনেকো আছে। মঞি অকলে কিৰূপে যাম? সময়ত কাৰ্য্যত বৈগুণ্য পৰিবলৈ আছে। ৰাজাদেৱে তাৰ আসয়ক বুজি ঘৰিণীয়েক খাঁৰৰ জীয়েকক চাঙ্গ তুলিবৰ মনে বোলে, ভাল তোৰ ককায়েৰ খামচিন ভগা-বৰগোহাঁইকো পাচিলোঁ। আৰ তোৰ যদি আপাহ পাওঁ সলাল ৰাজ্য দিম। এইবুলি ভগা-বৰগোহাঞিক মেটেকাৰ পৰা নিয়াই আগতে কাপোৰ পাৰি বন্থৰাই শিকাই-বুজাই পাচিলে। এইকথা জানি সোন্দৰ গোহাঞি অসন্তোষ কৰিহে গল। পাচে কছাৰীৰ সাতগাঞ মাৰি জয়ন্তাৰ কন্যা আনি মৰঙ্গিত থৈ জনাই পঠালে। ৰাজাদেৱে চাউপেত বুঢ়াগোহাঞিক পঠাই কন্যা অনালে। সোন্দৰ গোহাঞিলৈ কৈ পঠালে বোলে, কছাৰীৰ ৰাজ্যখানি মাৰি আহক। এইবুলি খাঁৰৰ জীয়েকক চাঙ্গত তুলিলে। এইকথা শুনি সোন্দৰ গোহাঞি মন এৰিলে। কছাৰীৰ ভীমবল কোঁৱৰেও বৰিলো হেন বুলি গতাগত কৰি আছিল।

একদিনা ভীমবলে অমনা-পমনা হাতীয়েৰে পুৰঁতি নিশা আহি হিলৈৰ মুখত পানী ভৰাই যুদ্ধ ধৰিলেহি। খামচিন বৰগোহাঁই ওলাই যুদ্ধ ধৰিলে। সেই যুদ্ধত গোহাঞি পৰিল। হাতীয়েৰে সোমাই গৈ সোন্দৰ গোহাঞিকো খুচি মাৰিলে। এই বাৰ্ত্তা ৰাজাদেৱে পাই থাঁৰৰ জীয়েকক চাঙৰ পৰা নমাই মাটিত ঘৰ সাজি থৈছিলে। শুধি হলতহে তুলিলে। সেই অপমানত সোন্দৰ গোহাঞিৰ দুই পুতেক আখেক গোহাঁই কেবা গোহাঁই বঙ্গাললৈ পলাই গল। ১৬৭॥

অসম-বঙ্গালৰ কন্দলৰ সুত্ৰপাত।—মহাৰাজাৰ চৰণলৈ সলাৰ পৰা পিকচাএ জনাই আহিল বোলে, বঙ্গালে কোচৰ ৰাজ্য মাৰিলে। সত্ৰাজিতে কলঙ্গে উজাই আহি সলাৰ দেওঘৰৰ সোণৰূপৰ অলঙ্কাৰকো নটিনীবোৰকো ধৰি লৈ গল। আৰু তাৰ ৰতনচা নামে সদাগৰ আহি শিঙৰীত বেহা কৰিছেহি। ৰাজাদেৱে বোলে, আমাৰ ৰাজ্যকো মাৰিবলৈ ছলছন্দ কৰেহেন লাগে। এইবুলি ৰতনচাক ধৰিব দিলে। তাক নাপালে। তাৰ মানুহ দুটা নাও ধন-সৰ্ব্বহ আনি মহাৰাজাৰ চৰণলৈ দি পঠালে। ১৬৮॥

কছাৰীৰে সৈতে মিত্ৰতা।—পাচে ৰাজাদেৱে তিনজনা ডাঙৰীয়াত সুধিলে বোলে, বঙ্গালেৰেয়ো কন্দলহে লাগিল। কছাৰীএৰে কন্দল লাগিয়ে আছে। কোনখান কৰা যাব? গোহাঞিবোৰে বোলে, কছাৰীয়েৰে প্ৰীতি নহৈ আমি বঙ্গালেৰে যুদ্ধ কৰিলে পাচে কাৰ্য্যত বৈগুণ্য পৰিব। এতেকে শীতলিয়া কটকীক পঠাই কছাৰীক নিৰ্ভয় দিব লাগে। ৰাজাদেৱে বোলে, মঞি নজনাহেনকৈ তোমালোকো শিখাই পাচ। তিনিজনা ডাঙৰীয়া শীতলিয়াক আনি বোলে, তঞি কছাৰী ৰজাত এইখান কগৈ, মোক তিনিজনা ডাঙৰীয়াহে পাচিছে। বোলে, খামচিন বৰগোহাঞিক সোন্দৰ গোহাঞিক যে কাটিলে আত ভয় নকৰিব। স্বৰ্গমহাৰাজা শুনি আনন্দহে কৰিছে, বোলে, কছাৰী ৰাজ্য মোৰ থাপিত-সাঙ্কিত।

তাক কাটিব-মাৰিব দিছোঁনে কি? মন্ত্ৰি জয়ন্তাৰ কন্যা আনিবহে দিলো। এতেকে কছাৰী ৰাজা মোৰ বনকেহে কৰিলে। এই-ৰূপে কলত কছাৰী ৰাজা আহি হাতী-ঘোৰা আনো বস্তুজাত জানি মহাৰাজাৰ চৰণত সেৱা কৰিলেহি। তাক বঁটা-প্ৰসাদ দি বিদাই দিলে। সেই সময়তে চাউপেত বুঢ়াগোহাঁই হৰাল। থকবকক গোহাঁই পাতিলে। ১৬৯॥

ভড়ৰীৰ যুদ্ধত মোগলৰ পৰাজয়।—পাচে ৰতনচা পলাই গৈ তাৰ থানাদাৰ সত্ৰাজিতত কলেগৈ। সি চৈয়দ বাবাকৰ, চৈয়দ চালা, আলিয়াৰ-খাঁ, এইসকলেৰে যুক্তি হৈ উজাই আহি ভগুৰীমুখত যুদ্ধ ধৰিলেহি, আখেক কেঁবা গোহাঁই দুইৰ মন্ত্ৰণাত। আমাৰ ডাঙৰীয়া-সকলে বঙ্গালক ভঙ্গাব নোৱাৰি ৰাজাদেৱলৈ জনাই আহিল। সেই-বেলা ৰাজাদেৱে কুকুৰাকটাতে আছিল। পাচে ৰাজাদেৱে ভগুৰী চেটিয়ালৈ বুলি গল বোলে, সি গা কৰি সিহঁতত কৰ, তোৰ যদি কুকুৰা পোৱালিটো হানি হয় তাৰ বধে মোকে পাব, আৰু যদি বঙ্গালৰ মুক্ত মুক্ত দুই-চাৰি কাটি আহিব তাক ৰবগোহাঁই পাতিম। এইৰূপে ভড়াৰী চেটিয়াই বধ-ভাৰসাগছি গাকৈ কলত সিহঁতে ৰাতি হিলৈৰ মুখত পানী ভৰাই বিস্তৰ বঙ্গাল কাটি আহিল। আৰু ভড়াৰীকো পূজা কৰি তাৰ নাৱৰ আহিলা-পাতি বিস্তৰ উটুৱালে। বঙ্গালো বিস্তৰ মৰিল। তাৰ নটা ৰজাক ধৰি খাগৰিৰ গড় বান্ধি বন্দী কৰি থৈ ৰাজাদেৱলৈ জনাই পঠালে। বোলে, ভাল কৰি থওক। মন্ত্ৰি পকগুলৈ গৈ বঙ্গ চাব লাগে। এনেতে চিপাহী এটা ওলাই আমাৰ ২৪ মানুহ কাটিলে। চাউলাই কোঁৱৰ প্ৰমুক্ষে তিনিজনা ডাঙৰীয়া বিধানৰ হেন দেখি নটা ৰাজাক কাটিলে। ১৭০॥

শিমলুগুৰিৰ পৰা দিজোলৈ গড় নিৰ্ম্মাণ।—ৰাজাদেৱে আহি খঙ্গকৈ চাউলাই কোঁৱৰক তিনিজনা ডাঙৰীয়াৰ তিনি নেওগক কাটি ডাঙৰীয়াবোৰক হাতীশালত বন্দীকৈ থৈ পুনৰ্ব্বাৰ ভলয়া যুদ্ধলৈ পাচিলে। তিনিজনা ডাঙৰীয়া তবে গল। শ্ৰীফল বৰা মুক্ত কৰি

সকলো নাৱে গল। সমস্তো গৈ বঙ্গালক দেখা-দেখি হল। এনেতে শ্ৰীফল বৰায়ে তিনিজনা ডাঙ্গৰীয়াক বোলে, তইঁতক ৰঙ্গ চাবলৈহে পাচিছে? ডাঙ্গৰীয়াবোৰে বোলে, বন্দীৰ কি ৰবকথা শুনিব লাগে। এইবুলি খেদি গৈ বঙ্গালক ধৰিলে। বঙ্গালো ভাগি যাওঁতে আছৰা গুলি পিৰাত লাগি থকবক গোহাঞি পৰিল। পলাই পম হাতীয়ো গোহাঞিক আনিব নোৱাৰি আহি শালত সোমালহি। শ্ৰীফল বৰাকো পাচমাউতে খুচি মাৰিলে। ৰাজাদেৱে বোলে, এই ঠাইখানি সামান্য নহয়। আকে আশ্ৰয় কৰি যে ডাঙ্গৰ শত্ৰু জিনা গল। আতে গড় এটি কৰিলেহে ভাল। এইবুলি দুৱৰীয়া মানুহ আনি হাৰুণি দাৰুণিৰ পৰা লুইতলৈ ১০,০০০ মাটি, শিমলুগুৰিৰ পৰা দিজোলৈ ৩,০০০ মাটি, আতে আলিটোহেনকৈ গড়টি বন্ধালে ত্যাওঁলাঙ্গু গোহাঞিক মুৰকৈ দি। ১৭১॥

সত্ৰাজিতৰ বাপদাই।—আতপাচে পাৎসাৰ আজ্ঞাবে ঢকাৰ ইচলাম-খাঁ নবাবে সত্ৰাজিতক ধুবুৰী মানাহাত থানাদাৰ পাতিলে। সি আহি ধুবুৰীত ৰহিলহি। আমাৰ লাঙ্গি ফুকনেৰে মিত্ৰ কৰি মহাৰাজাৰ ঠাইলৈ বাপটাঙ্কি হাট-আবেঙ্গ প্ৰাৰ্থি আছিল। ৰাজাদেৱে বোলে, সি যদি মোৰ বেটা পুত্ৰ হব, মোৰ পটেশ্বৰীৰ স্তন পান কৰিব লাগে। এইবুলি তালৈ চিকোন কাপৰ ১ সাজ, ঘৰিণীয়েকলৈ পাটৰ মেখেলাৰে কাপৰ ১ সাজ, আৰু সোণৰ নালিচুলা দিয়া ৰূপৰ তাউকিন ১ টা, লোণ চাউল এইসকল দি এইবান বুলিলে, এই কাপৰ দিছো, পিন্ধিব। লোণ চাউল মোৰ বাচ, আকো খাব। এই তাউকিন মোৰ পটেশ্বৰীৰ স্তনৰ সদৃশ, আবো পানী খাব। আৰু বালুক মিঠা নহয় মানে কথা নেৰিব। যদি এৰিব তেৱে মোৰ বাচে খাব। পাচে সত্ৰাজিতে লোণ চাউল তাউকিনৰ পানী খাই কাপৰ পিন্ধি বোলে, যদি মই কথা এৰিম তেৱে মোক বাচে খাব। আৰু বোলে, মোক মহালক্ষ্মীয়ে এৰিব। তথাপি বিৰোধকেহে আচৰিলে। আৰু সত্ৰাজিতৰ বছৰ-দহেকিয়া লৰা এটি তাৰে ধাই সহিতে সন্দেহ-পত্ৰ দি

মহাৰাজাৰ চৰণত সেৱা কৰিবলৈ পঠাই দিলে। ৰাজাদেৱে পৰ্ব্বতীয়া খামপাট বৰগোহাঞিক তুলিব দিলে। বৰগোহাঞি বোলে, স্ত্ৰীয়া-পুত্ৰৰে কথা হবলৈ উচিত নহয়, তাৰ সংবাটি যি আহিছে সিয়ো একো নাজানে। এইবুলি বৰগোহাঞি নুতুলিলে। ৰাজাদেৱে বৰগোহাঞিক খঙ্গি দুজনা গোহাঁইক তুলিব দিলে। সিবোৰেয়ো তুলিলে। পাচে মহাৰজা বঁটা-প্ৰসাদ দি বিদাই দিলে। ১৭২॥

স্বৰ্গদেৱলৈ দিয়া বস্তু আত্মসাৎ।—আতপাচে পাৎসাৰ আজ্ঞাৰে ঢকাৰ ইচলাম নবাবে সত্ৰাজিতক গুচাই আলিয়াৰ-খাঁক থানাদাৰ পাতি ধুবুৰী-মানাহাত ৰহিব দিলে। সত্ৰাজিতক আগচকিত খলে। তাকো গুচাবৰ এইহে কাৰণ। ইচলাম-খাঁ নবাবে মহাৰাজাৰ ঠাইক অনেক বস্তু-দ্ৰব্য দি মানুহ পঠালে। সেই মানুহ সত্ৰাজিতে লাঙ্গি ফুকনেৰে কথা হৈ ৰাখিলে। পাচে নবাবে মহাৰাজলৈকো জনাই আহিল, বোলে, স্বৰ্গমহাৰাজাৰ চৰণলৈ একলাখ টকাৰ বস্তুজাত দি মানুহ পাচিলোঁ। সকলো বস্তু কাঢ়ি লৈ মানুহ ওলোটাই পঠালে। ১৭৩॥

স্বৰ্গদেৱৰ শৰণাগত চন্দ্ৰনাৰায়ণ কোঁৱৰ।—এইকথা আমাৰ আহিনা মুদৈএ মহাৰাজাত কৈলেহি। ৰজাদেৱে প্ৰমাণত পাই ফুকনক আনি মাৰিলে। পাৎসালৈকে এইৰূপে জনাই পঠালে বোলে, স্বৰ্গীমহাৰাজাৰ ঠাইক সত্ৰাজিতে লৰা-ভিকতা পঠাই শৰণাগত হৈ আন মনহে কৰিলে। এতেকেহে তাক গুচালে। আৰু গাভৰুৱাল চন্দ্ৰনাৰায়ণ গৈ আলিয়াৰ-খাঁৰ ঠাইত ৰহিল। তাক বল-প্ৰসাদ দি কৰৈবাৰিত থাকিব দিলে। তাৰেপৰা চন্দ্ৰনাৰাণে হাবামখোৰ হৈ মহাৰাজাৰ ঠাইত সোমালহি। সেইকথা আলিয়াৰ-খাঁকে লেঙ্গা পোলোঙ্গা দুইক পঠাই মহাৰাজাৰ চৰণলৈ জনাই আহিল, বোলে, চন্দ্ৰনাৰাণক মোৰ ঠাইক দি আহক। মহাৰাজা বোলে, শৰণাগতক কিয় এৰি দিম! কন্দলৰ এই এক কাৰণ। ১৭৪॥

ঢেকেৰীয়ে মানুহ কাটে।—মৰাব হবি, কেহো হাজৰিকীয়াক

লগত দি চন্দ্ৰনাৰাণক দৰঙ্গত পাতিব দিলে। আতপাচে চন্দ্ৰনাৰায়ণে মৰা হাজৰিকীয়াক পঠাই নেওগ বৰফুকনৰ ঠাইক কৈ পঠালে বোলে, স্বৰ্গমহাৰাজাৰ আমি থাপিত-সাঞ্চিত মানুহ। বঙ্গালে যে লুট কৰে আমাক ৰাখা। পাচে ফুকনে কণাই হাজৰিকীয়া প্ৰমুখ্যে চাৰিহাজাৰ মানুহ তাৰ লগে পঠাই দিলে। সিহঁতে গৈ কবৈৰাৰিত বহি বঙ্গালৰ দুই-চাৰি মানুহ কাটিব ধৰিলে। পাচে চকিদাৰ সত্ৰাজিতে মহাৰাজাৰ চৰণলৈ জনাই আছিল। মহাৰাজা বোলে, ঢেকেৰীএ কেনেকৈ কাটে মই কি জানো? সি বোলে, কন্দলকেহে মন কৰিলে। এই এক কাৰণ। ১৭৫ ॥

শৰণাগতক আশ্ৰয় দান।—আৰু বঙ্গালৰ হৰি, কেহো সদাগৰ চৰা-কুৰ্ম্মা লৈ পলাই আহি দৰঙ্গত সোমালহি। মহাৰাজাৰ ঠাইলৈ সত্ৰাজিতে জনাই আছিল আকৈ মামুক পঠাই। সেই সময়তে হেঙ্গল কুকুৰ এটাও আছিল। মহাৰাজা বোলে, শৰণাগতক কিয় এৰি দিম? এইবুলি এৰি নেদিলে। এই এক কাৰণ। ১৭৬ ॥

আখেক আৰু কেৰা গোহাঁই বৰ।—আৰু আখেক কেৰা গোহাঞিক দুজনা কোঁৱৰক মাল-চৰম শিখাব দিলে। দুজনা কোঁৱৰেও শিখিছে। এনেতে ৰাজাদেৱত ভণ্ডাৰী চেটিয়াই লগালে, বোলে, স্বৰ্গদেৱে কালক চপাই লৈছে। তাৰ মাকো চাঙ্গতে আছে, আৰু বঙ্গালকো আনি যি কৰিছে তাকো স্বৰ্গদেৱে জানিছে। এতেকে তাক স্বৰ্গদেৱে থৰলৈ ভাল নহয়। ৰাজাদেৱে বোলে, তাৰ আনমন হেন নেদেখি। ভণ্ডাৰী চেটিয়া বোলে, তিতা কচিৰ আগো তিতা গুটিয়ো তিতা। ৰাজাদেৱে বোলে, লৰাহঁতৰ আসিতে কোনো আখাৰ কৰিব নোৱাৰি। সি বোলে, গোহাঞিবোৰক ফুটুকাতলিত পছু মাৰিবলৈ পঠাই সিহঁতক ৰাখি পাচতে কোনোখান কৰিলেনো? পাচে ৰাজাদেৱে দুই পুতেকক পছু মাৰিবলৈ পঠালে। আখেকক কেৰাক ৰাখি দুজনা গোহাঞিক বোলে, ৰপাইহঁতে দুয়ো ভাএৰে পছু মাৰগৈ। মোৰ গাটি বিষম কৰিছে। সিহঁত দুয়েৰে কথা

হুই থাকো। এইবুলি সিবোৰক পঠাই আখেক কেৰা গোহাঞিক ছাল ছেলাই মৰালে। ১৭৭॥

কটকীৰ কথাত হেতা-ওপৰা।—আৰু গজপুৰীয়া সনাতন, চন্দ্ৰাৰ কানু, এই দুই কটকীক আলিয়াৰ খাঁ নবাবে সুধিলে, বোলে, তোৰ স্বৰ্গমহাৰাজাৰ ঠাইলৈ কেইদিনৰ পথ। কটকীয়ে বোলে, দুই মাহিনাৰ পথ। ভেলাইৰ পুতেক দুৱৰীয়াই বোলে, মিছাহে কৈছে, আঠৰোজহে পথ। কটকীয়ে বোলে, সকলো দিন স্বৰ্গমহাৰাজা দিলিৰ পাৎসা উকিলৰ মুখেহে বুজিছে, এতিয়া যদি দুৱৰীয়া মুখেহে বুজিব আমি কি বুলিম। কটকীএ আহি ৰাজাদেৱত বঙ্গালৰ কথা-বাৰ্ত্তা কলেহি। ৰাজাদেৱে সন্তোষ হৈ বোলে, আৰু কি আছে ক? কটকীএ বোলে স্বৰ্গদেৱে যদি নোসোধে আখাৰ দুয়েক কম। বোলে ক। সনাতনে বোলে, স্বৰ্গদেৱ বনৰ হাতী অনেক যত্ন কৰি আনি শালত গলচেপা দি থয়, তাক মেলিলে শালত থাকে কি বনলৈকে যাই? আৰু বন্দীহঁতক পৰদেশলৈ পঠালে তৈতে মৰিলে লৰা-তিৰতা ৰাজ্যতে থাকিব কি বিদেশলৈকে এৰি দিব? আৰু পিতৃ-মাতৃ পুত্ৰসকলৰে একে অঙ্গ, সাতো বস্ত্ৰে আবৰি থাকে, এতেকেহে মৰ্য্যদা ৰহে। পাচে মহাৰাজা এইকথা জানি ভেলাইৰ পুতেকক কাটিলে। ১৭৮॥

বঙ্গালৰ পৰাজয়।—মোমাই-তামুলী বৰফুকন হৈ গৈ সলাতে ৰহিল। সেই সময়ত বঙ্গালৰ বৰনবাবে মিৰ্য্যা জাহিনা, মিৰ্য্যা মাকৈ, আলিয়াৰ খাঁ প্ৰমুখে নাৱে-তৰে উজাই আহি ৰবকবৈয়নিত ৰহিলহি। এইকথা মোমাই-তামুলীয়ে শুনি আহোম কটকী পঠাই সিহঁতলৈ সুধি পঠালে, বোলে, সিবোৰ কি কাৰণে আহিছে কৈ আহক। সিহঁতে বোলে, আমাৰ আন কাৰ্য্য নাই। বালিৰ সোণা, বনৰ হাতী, বনৰ আগৰ কাষ্ঠ, বনৰ জালুক, আকে যদি দিব, তেবে যুদ্ধত কাৰ্য্য নাই। এইৰূপে কটকীয়ে আহি কলত ফুকনে বোলে গড়টি যিবা আছে তাতো কাঁড়ী, গড়, বুৰুজ একো নাই। আৰু নিয়ম

নকৰি যদি বঙ্গালক টান দিয়া যায় পাচে অকাৰ্য্য হব। এইবুলি ৰাজাদেৰলৈকো জনাই পঠালে। তাৰ ঠাইলৈকো কটকী পঠাই এইখান কব দিলে, বোলে, সিবোৰে যিহক কৈছে আমাৰ ঠাইত বহুত আছে। তথাপি আমি স্বৰ্গমহাৰাজাৰ অধীন। নজনাকৈ কোনো বস্তু দিব নোৱাৰি। ছমাহৰ বাট অহাযোৱা, ৰাতিয়ে দিনে হলেহে তিনিমাহে পাইহি। ভাল সিবোৰো ততে ৰহোক। আমিও জনাই আহি তাক দিম, আৰ অৰ্থে যুদ্ধ কৰণ উচিত নহয়। এইবুলি বঙ্গালক ৰাখি মূলে-দোৱালে তিনি পক্ষত গড় সাঙ্গ কৰি কটকী পঠাই পুনৰ্ব্বাৰ কব দিলে, বোলে, সোণা যি খুজিছে, তাৰ ধোৱা বালিকো নেদিয়োঁ। হাতী ছাৰি লাদকো নেদিয়োঁ। জালুকৰ থেনিকো নিদিও। আগৰ কাঠৰ জেঙ্গনিকো নেদিয়োঁ। এইকথা শুনি বঙ্গালে নাৱে-তবে খেদি আহিল। আমাৰ মোমাই-তামূলী বৰফুকনে নাওখানত তিনিটাকৈ হিলৈ বান্ধি নাৱে-তবে ধৰিলে, সেই যুদ্ধত বঙ্গালৰ বিস্তৰ সৈন্য পৰিল। মৰা-শৰে কলঙ্গ নৈ উপচি গল। তাৰ ধন, নাও আহিলা-পাতি বিস্তৰ পালে। তাকো খেদি নি মানহা ঠেকালেনি। ১৭৯॥

দিজোৰ পৰা উদমাবিলৈ গড়।—পাচে মোমাই-তামূলীয়ে বোলে, এই গড় দুখৰিৰ আপাহ পোৱা গল। দিজোৰ পৰা উদমাবিলৈ চাৰিহাজাৰ মাটি, গড় নাই। আকো বান্ধিব লাগে। এইবুলি কটকীক শিখাই পাচিলে, বোলে, ৰাজাদেৰত কগৈ। যদি তামূলী দলৈৰ লৰা থাকে আন কথা কবি, গড়ৰ কথা নকবি। কটকী গৈ ৰাজাদেৰত সমস্তে বাৰ্ত্তা কলে। তামূলী দলৈৰ লৰাএ হাঁচটি ধৰিছে। তাক দেখি গড়ৰ কথা কৰা নাই। এনেতে ৰাজাদেৰে বোলে, বামুণীপুতেক, জেঠেৰীএ আৰু যি কৈ আহিছে ক। কটকীয়ে বোলে, স্বৰ্গদেৱ, আৰু কিছুকথা কব দিছে। বিশ্বাসেহে কব পাৰোঁ। ৰাজাদেৰে বোলে, কোনে দিজোৰ পৰা উদমাবিলৈ গড় দুখৰি বান্ধিবৰ কথা কলে? ৰাজাদেৰে একো নৌ-বোলোতে তামূলী দলৈৰ

পুতেকে বোলে, অৰণ্যেদি বঙ্গালক লৈ আহিব। অকাৰ্য্যত কিয়েলৈ মানুহক দুখ দিব লাগে। ৰাজাদেৱে বোলে, ভালহে কৈছে, কৰি, নালাগে বান্ধিব। এইকথা ফুকনে শুনি অসন্তোষ কৰি বোলে, পাচলৈ এইপোনে বঙ্গাল উঠি আমাৰ দেশ মাৰিব। ১৮০ ॥

জয়াদিত্য ভগাৰজাৰ অপকৰ্ম্ম।—১৫৬৩ শকত ভগাজনা ৰাজাদেৱৰ ঠাইক কছাৰীৰ যশমাণিক ৰজা কটকী পঠাই বুলি আহিল, বোলে, স্বৰ্গমহাৰাজ সৰ্ব্বকালে কন্যা দিবৰ নিয়ম হৈছে। এখনো আমাক কন্যা দিব লাগে। মহাৰাজা শুনি খঙ্গ কৰিলে। বৰগোহাঞি ৰাজাদেৱৰ খঙ্গ হেন দেখি আগতে পত্ৰ ফালি কটকীক গতিয়াই খেদি দিব দিলে। আৰু ভগাজনা ৰাজাদেৱে লড়িমাক এজনাক ঘৰ কৰিলে। তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে সকলেও কলে। এনেতে একদিনা ৰাজাদেৱ পৰ্ব্বতলৈ যাওঁতে চৰাইদেৱৰ হাটৰ গছৰ ওপৰত চৰাএ মতাহেনকৈ মাতিলে, বোলে, তঞি ৰাজা দুই অন্যায় কৰ যে তোৰ শ্ৰী হত হব। এই কথা শুনি ৰাজাদেৱে উলটি গৈ লড়িমাকক এৰি চুটিয়া সোণাৰিৰ জীয়ৰী এজনী আনিলে, লগত লৰাৰে। সেই লৰা কোঁৱৰ পাতি দোলা-আৰোৱান দিলে। ছমাহতে সেই লৰা মৰিল। পাচে ৰাজাদেৱে তিনিজনা ডাঙ্গৰীয়াত, ছয় ফুকনত কব দিলে, বোলে, মোৰ পোৰ লগত যাবলৈ তিনি গোহাঁইৰ তিনিটা লৰা, ছয় ফুকনৰ ছটা লৰা দিয়ক। গোহাঞিবোৰে বোলে, চুটিয়া লৰাৰ লগত আমাৰ লৰা কিয় দিম? ১৮১ ॥

নৰিয়া ৰজা।—এইবুলি মৈদাম বন্ধা মানুহকো নিষেদ্ধ কৰি নৰিয়া ৰজাৰ ঠাইক গৈ বোলে, দেৱকে আমি ৰাজা পাতি লওঁ। ৰাজাদেৱে বোলে, মই নৰিয়া মানুহ, কিৰূপে ৰাজ্য প্ৰতিপালন কৰিম? তথাপি তোমালোকে যে নেৰ, ভাল উঠাহাক। এইবুলি সকলো আহি চ'ৰাতলত পিৰা পাৰি বহুৱাই সকলো সেৱা কৰি ৰাজা পাতিলে। ভগাজনা ৰাজাদেৱে ভিতৰুয়াল মানুহেৰে কন্দলক মনে অস্ত্ৰে-শস্ত্ৰে যুক্তি হল। পাচে বোলে, মোৰ কন্দলত কোন কাম?

এইবুলি সকলক হাক দি ঘৰত সোমাই থাকিল। ভোগ দুই বৎসৰ ছয় মাহ। ১৮২॥

চুঙ্গি দমন।—নৰিয়া ৰাজা ৰাজা হৈ চুঙ্গিক ধৰিবলৈ শুকুলাহুন্থ বুঢ়াগোহাঁইক, বৰগোহাঁইক, বৰজনা আইকুঁৱৰীৰ ভায়েকক সৰিহ গোহাঞিক পঠালে। সেই সময়ত দিহিঙ্গীয়া গোহাঁই তিনিজনাক পাচিলে। সিবোৰ গৈ কোঁঠ দিব ধৰিছে। এনেতে চুঙ্গিয়ে আমাৰ মানুহৰ নিয়মে কাঠ-বাঁহ নিবৰ ছলে তাতে যাঠি, দা, লুকাই আনি আমাৰ বিস্তৰ মানুহ কাটিলে। পাচে সৰিহ গোহাঞে বোলে, মোলৈ আইকুঁৱৰীদেৱে কৈ আহিছে বোলে, সি চোৰ জাতি, তাক কিৰূপে ধৰিব, গুচি আহোক। এই কন্দক সুবুদ্ধি সকলো আহিল। পাচে মহাৰাজা হাতীশালত বন্দীকৈ থৈ দাই ধৰিলে বোলে, সিহঁতে মোৰ আজ্ঞা হলেহে আহিব পাই। আৰু ডাঙ্গৰ কাৰ্য্য হলে কিৰূপে কৰিব? সৰিহ গোহাঁই বোলে, স্বৰ্গদেৱে যাক মুৰকৈ দিছে, তেঞে আহিল, তাতেহে আমিও আহিলোঁ। পাচে বুঢ়াগোহাঁইক ভাঙ্গি ঘৰলৈ খেদি সৰিহ গোহাঁইক বুঢ়াগোহাঁই পাতিলে। পাচ বৎসৰে দুহাজাৰ চুঙ্গি পাই ধৰি আনিলে। ১৮৩॥

কছাৰী ৰজাৰ কন্যা ভিক্ষা।—আতপাচে কছাৰী ৰজা মজুন্দাৰক পঠাই বুলি আহিল, বোলে, স্বৰ্গমহাৰাজাৰ পূৰ্ব্বাপৰৰ থাপিত-সাঞ্চিত। এখন খণ্ড কৰিবাক যোগ্য নাহই। মহাৰাজা তাক তুলি সন্দেশ-পত্ৰ দি পঠাই দিলে। পত্ৰতো এই লিখিলে, বোলে, কছাৰী ৰজাক আমিহে পূৰ্ব্বাপৰে ৰজা পাতি থৈছো। আৰু পাহৰিব নাপাই। এইৰূপে জনালতগৈ কছাৰী ৰজা পুনৰ্ব্বাৰ পত্ৰ-সন্দেশ দি মজুন্দাৰক পঠাই কৈ আহিল, বোলে, স্বৰ্গমহাৰাজা পূৰ্ব্বে থাপি-সাঁচি গৈছে। এখনো কন্যা দি থাপিব লাগে। মজুন্দাৰ আহি কলীয়াবৰ পালেহি। সেইবেলা জ্যেষ্ঠ মাসত মহাৰাজা স্বৰ্গী হল, ১৫৭০ শকত। ভোগ্য ৭ বৎসৰ। নৰিয়া ৰাজাৰ দিনতেহে আবোৱানৰ গিলিপ হল। ১৮৪॥

স্বৰ্গদেৱ জয়ধ্বজসিংহ।—পাচে জয়ধ্বজ মহাৰাজা হৈ কছাৰীৰ মজিন্দাৰক আনি বোলে, শ্ৰীহত কাকত কেমনে চাম? এইবুলি তিনিজনা ডাঙ্গৰীয়াক তুলি বিদায় দিব দিলে। গোহাঁইবোৰে হাতী-শালত তাক তুলি বোলে, তোৰ মানুহ, ঘোৰা, সন্দেশ থৈ মহাৰাজাৰ নামে পত্ৰ আনগৈ। এইবুলি তাৰ লগে আমাৰ ৰাম, লালুক, দুইক পঠাই দিলে। সিয়ো গৈ মহাৰাজাৰ নামে পত্ৰ আনি পালতহি পত্ৰ চাই বোলে, হেড়ম্বেশ্বৰে কন্যা খুজি আহিছে, তাক মঞি দিম যদি মোৰ বচন কৰিব। মজুন্দাৰে বোলে,—ৰাজা যদি ৰাজাৰ ঠাইক বুলি যাব, কিয় নকৰিব? মহাৰাজা বোলে, ভাল, সামান্য লোকৰো কন্যা দৰা আহিহে নিয়ে। ৰজা যদি আহিব নোৱাৰে তাৰ ভাই-পো পঠাই দিব, তেবে কন্যা দিম। এইবুলি পত্ৰ-সন্দেশ দি পঠাই দিলে। সিয়ো গৈ তাৰ ৰজাত জনালে। কছাৰী ৰজা বোলে, মোৰ ভাই-বঙ্গহো নাই, লৰাটিয়ো চোট, কোন যাব? যদি স্বৰ্গমহাৰাজা পূৰ্ব্ব কথাক লৈ দিব, তালৈ কাকো নালাগে। এইবুলি মজুন্দাৰক পঠাই দিলে। সি আহি মহাৰাজাত জনালেহি। তাৰ ভাই-পো নাহিবৰ দেখি ৰাজাদেৱে টঙ্গচু বৰুৱাক শিখাই দাই ধৰিব দিলে। যিৰূপে শিখালে, সিৰূপে বুলিব নোৱাৰিলে। মহাৰাজা অসন্তোষ কৰি কটকীক খেদিব দিলে। টঙ্গচু বৰুৱাক ভাঙ্গি চেঙ্গধৰাক বৰুৱা পাতিলে। ১৫৭৩ শকত ভটীয়াপাৰত পুখুৰী খানিলে। ১৮৫ ॥

মীৰজুমলাৰ অসম আক্ৰমণ।—আতপাচে ১৫৮৩ শকৰ আঘোণত বঙ্গালৰ খানখানা নবাব, দলল-খাঁ, ৰচিত-খাঁ প্ৰমুখ্যে সকলো আহি বঙ্গাগড়াত ৰহি বৰফুকনৰ ঠাইলৈ কটকী পঠাই কব দিলে, বোলে, গুৱাহাটী এৰি দিয়ক। ফুকনে বোলে, আমি প্ৰাণনাৰায়নক মাৰিহে লৈছোঁ। যদি তাক মাৰিব, তেবে এৰি দিম। পাচে প্ৰাণনাৰাণক মাৰি কৈ পঠালে বোলে, এতিয়া এৰি দিয়ক। ফুকনে বোলে, বিনাযুদ্ধে কিয় এৰি দিম? খানখানা বোলে, কেমন মিছা কয়,

এইবুলি গুৱাহাটী ললেহি। ৰাজাশহুৰ প্ৰমুখ্যে ফুকনবোৰ আহি চামধৰাত ৰহিলহি। ৰাজাদেৱে বেজদলৈক যুদ্ধৰ সেনাপতি পাতি পঠাই দিলে। তাক দেখি ৰাজাশহুৰ ফুকনে মন এৰিলে। তাতপাচে বাঁহগড়ীয়া অৰ্জ্জুন গোহাঞিঃ খনিকৰ বকৰাক বুঢ়াগোহাঞিঃ পাতি পঠাই দিলে। সকলেয়ো চামধৰাত নাৰে-তৰে যুদ্ধ ধৰিলে। বঙ্গালো ভাগেহেন হল। এমেতে নগঞা ভোটাইৰ বাহৰ মানুহ এটাই দিজোয়েদি বাট দেখালে। এনেতে বাৰুকিয়া বৰগোহাঁইয়ে খাৰ-ঘৰত জুই লগালে। পাচে সেইপোনে বঙ্গাল আহিলহি। আমাৰ সকলো ভাগি উজাই আহিল। বুঢ়াগোহায়ে কুকুৰাকটাত তিনিপৰ বেলি যুদ্ধ কৰিলে। বলে নোৱাৰি ভাগি আহিল। সেই সময়ত ৰজাদেৱ ভটিয়াই আহি বাৰুকটাতে আছিল। বঙ্গাল উজাবৰ বাৰ্ত্তা পাই তাৰপৰা আহি নগৰত ৰলহি। দলাল-খাঁ প্ৰমুখ্যে অনেক বঙ্গাল লুইতে উজাই আহিল। বুঢ়াগোহাঞে মুৰকটাত যুদ্ধ ধৰিলে। সেই যুদ্ধত উমৰাও দুটা পৰিল। বঙ্গালো ভাগেহেন হল। এনেতে আমাৰ নাহৰপতীয়া কাণ্ড দেখি অচমৰ আহিলা-পাতি টুটিল বুলি টানমনে ধৰিলে। বুঢ়াগোহাঁয়ে দোলা এৰি মানুহৰ পিঠিত উঠি ভাগি আহিল। খানখানা পাচে-পাচে খেদি আহি বাঁহবাৰীত ৰলহি। ১৮৬॥

পোহাৰীৰ মুখে স্বৰ্গদেৱৰ বিকৰ্থনা।—পাচে ১৫৮৩ শকৰ চৈত্ৰৰ ৯ দিন আছোতে, মঙ্গলবাৰে এপৰবেলি হলত, ৰাজাদেৱে নামৰুকলৈ যাওঁতে দ'লগুৰিৰ আলিত ভুমুনী পহাৰীয়ে বোলে, স্বৰ্গদেৱ, তুমি ৰঙ্গ-আনন্দকহে মন দিলা। এই পোন্ধৰে বৎসৰে যদি দিবলগা ঠাইত পোন্ধৰ চপৰা মাটি দিলাহতে তোমাৰ কিয় এনে অৱস্থা হব? আমাক ক'ত এৰি যোৱা? ৰাজাদেৱে পহাৰীৰ মুখত এইকথা শুনি মনত অসন্তোষ কৰি গৈ চৰাইদেৱৰ ঘৰ পাই স্বৰ্গদেৱলৈ সেৱা কৰি বোলে, "তুমি মোক ইবাৰ ৰক্ষা কৰি এই ঠাইলৈ আনিবা। যদি তেবে আৰ বিচাৰ কৰাবা। যাক যাক ভাল খুৱালো-পিন্ধালো,

তাৰ মুখত এইকথা নাপালো। এতিয়া আপদ কালত ডুমুনী পোহাৰীৰ মুখতহে পালো । নাজানো, ইষ্টদেৱ, তুমি কোন অৱস্থা কৰা ।” ১৮৭ ॥

নামৰূপত জয়ধ্বজসিংহ স্বৰ্গদেৱ ।—এইবুলি ৰাজাদেৱ বাঁহগড়ীয়া বুঢ়াগোহাঁইক চলাচল চাই বঙ্গালক যুদ্ধ কৰিবৰ নিমিত্তে থৈ নামৰূপলৈ গল । সেই সময়ত বাৰুকিয়া বৰগোহাঞি ৰাজাৰ লগত নগৈ দৈপতঙ্গৰ বাটে গৈ নগা গাৱঁত সোমাই থাকিল, আৰু বাঁহবৰীয়া বৰচেটিয়া চামধৰাৰ পৰা ভাগি কছাৰীলৈ সোমালে । ১৮৮ ॥

স্বৰ্গদেৱৰ আক্ষেপ ।—বাহুলি ফুকনে বঙ্গালৰ লগ সোমাই অনেক দুগুৰ্ণ আচৰিলে । পাচে বুঢ়াগোহাঁয়ে ঠায়ে-ঠায়ে বিস্তৰ বঙ্গালক দবা দি কাটিলে । তত্ৰাপি খেদাইকাব নোৱাৰিলে । বঙ্গালো বাকোবাৰীতে ঠানা দি ৰহিল । বুঢ়াগোহাঞি ৰাজাদেৱৰ লগ ললেগৈ । ৰাজাদেৱে বোলে, গোহাঁই, মোৰ লগ সকলে এৰিলে । গোহাঁয়ে বোলে, স্বৰ্গদেৱ, দেৱৰ বন্দী-বেটাই লগ নেৰে । তাৰ লৰা-তিৰতা লথুবথুখান নিয়ম কৰি থৈ পাচতে আহিছে । পাচে গোহাঁই মানুহ পঠাই য'ত যেনেকৈ আছিল সকলকো ৰাজাৰ লগলৈ নিয়ালে । ৰাজাদেৱে বোলে, গোহাঁই, মোক বিধাতা ঈশ্বৰে সকলোৰূপে বঞ্চিলে । গোহাঁয়ে বোলে, দেৱে আত অসন্তোষ নকৰিব । জয়-পৰাজয় সকলোদিনে আছে । সেই ঈশ্বৰৰ যেতিয়া অনুকূল হব তেতিয়া স্বৰ্গদেৱৰ তেজ-শক্তিএৰেই বঙ্গালক মৰা যাব । ৰাজাদেৱে বোলে, গোহাঁই, তঞেৰে কথা হৈ যেন সন্তোষ হৈছো । আছোতেহে এইসকলত কোনো আখাব সোধো । এতেকেহে সকলোৰূপে বঞ্চিলে, বোলে । ১৮৯ ॥

সন্ধিৰ পাচত মোগলৰ অসম ত্যাগ ।—আতপচে বুঢ়াগোহাঁইক পঠাই নিৰন্ধক লৈ বঙ্গালক পঠাব দিলে । বঙ্গালে পাঞ্চলাখ ৰূপ নবৈ হাতীৰ নিবন্ধ কৰি বোলে, আকে দিয়োক, তেবে আমি যাঞো । বুঢ়াগোহাঞে বোলে, সিবোৰৰ ভয়তে লোকজনে ভাগি পৰ্ব্বত-

পাহাৰে সোমাই আছে। ৰাজাৰো ভণ্ডাৰ ধন-সৰ্ব্বহ সিবোৰে নিলে। এখন সিবোৰ যাউক, পাচত আমি বিচাৰ কৰি দিম। নবাবে বোলে, ভাল, এখন যদি দিব নোৱাৰে পাৎসালৈ ৰাজাৰ কন্যা এটা দিয়ক, ওলকৈ তিনিজনা ডাঙ্গৰীয়াৰ তিনিপুত্ৰ দিয়ক, ৰাজমন্ত্ৰীৰ এক পুত্ৰ দিয়ক, তেবে আমি যাঞো। এইৰূপে মহাৰাজাৰ চৰণলৈ বুঢ়া-গোহাঁয়ে জনাই পাৎসালৈ ৰাজাৰ জী দিলে। গাভৰুৰ লগত যৌতক দাস-দাসী, হাতী, ঘোৰা, ৰূপ সুবৰ্ণ অনেকো দিলে। ওল কৰি তিনিজনা ডাঙ্গৰীয়াৰ তিনিপুত্ৰ, ৰাজমন্ত্ৰী ৰজাশহুৰৰ পুত্ৰ মৌপিয়াকো দিলে। পাচে এইসকলক লৈ বঙ্গালে ভটিয়াই গল। ৰাজাদেৱ ওলাই আহি ৰকথাত ৰহিলহি। সেই সময়ত বৰগোহাঞে ৰাজা দেৱক সেৱা কৰিলেহি। ৰাজাদেৱে লগত নাবাৰৰ হৈ আপোন-হাতে হেঙ্গদানেৰে গদিয়ালে। ১৫৮৫ শকৰ জেষ্ঠ মাসত মহাৰাজা স্বৰ্গী হল। ভোগ্য পোন্ধৰ বৎসৰ। ১৯০॥

চক্ৰধ্বজসিংহ স্বৰ্গদেৱলৈ আওৰংজেবৰ উপহাৰ।—চাৰিঙ্গীয়া ৰৰজনা ৰাজা হল। সেই সময়ত পাৎসা মহাৰাজালৈ দোৰবেগ ৰস্তমবেগ দুই কটকীক পঠাই চুৰপাও দি আহিল। আমাৰ গাভৰুৰ লগত যোৱা বাঁহবৰীয়া কটকীকো ওলোটাই আনিলে, আৰু দলল-খাঁৰ ঠাইৰ গদাই, ৰচিত-খাঁৰ ঠাইৰ জলিম মলিম সকলো উজাই আহি দেৱৰগাওঁ পালেহি। মহাৰাজা স্বৰ্গী হুৱ শুনি তৈতে ৰহি ৰচিত-খাঁত জনালেগৈ। বোলে স্বৰ্গীৰাজা মুৱা হল, চুৰপাও কাক দিয়া যাব? ৰচিত-খাঁয়ে বোলে, ৰাজাৰ সন্ননি যি ৰাজা হৈছে, সেই ৰাজাকে দিবি। এইকথা বাঁহবৰীয়া আহি ৰাজাদেৱত জনালেহি। ১৯১॥

স্বাধীনচিতীয়া স্বৰ্গদেৱ চক্ৰধ্বজসিংহ।—পাৎসাৰ চুৰপাও আনি দেৱগাৱঁতে ৰহিছেহি বুলি ৰাজাদেৱে শুনি মনত অসন্তোষ কৰি বোলে, মোৰ পুলিন-পুথাও ৰাজাসকলে পৰৰ অধীন হৈ যোৱা নাই। এতিয়াও মই বঙ্গালৰ বঁটা পিন্ধিব নোৱাৰোঁ। তাক তৰেপৰা ওলো-

টাই খেদোক গৈ। বাঁহগড়ীয়া গোহাঁয়ে বোলে, দেৱে যদি এই সময়ত এনেখাব কৰিব, আকৌ ভগাৰাজ্য ভাগিলহে। আপদত আচৰিব নলগাকো আচৰি দেশ-ৰাজ্যকহে ৰাখিব লাগে। এতেকে তাক আনি কোনো বস্তুজাত তাক দিয়া-থোৱা কৰি থবলগা ঠাইত সেই বস্তু থৈ তাক সন্তোষ কৰি পঠোৱালে, আমাৰহে ভাল দেখি। ৰাজাদেৱে বোলে, গোহাঁই উত্তমহে কৈছে, ভাল, তাক আনিব দে। পাচে গোহাঁয়ে আমাৰ মানুহ পঠাই দেৱবগাৰ বে পৰা আগবাঢ়ি অনালে। গদায়ে জলিম মলিমে নজানেহেনকৈ আমাৰ কটকীক কথা হুব দিলে। দোৰবেগ, ৰোস্তমবেগেৰে আমাৰ কটকীয়ে বোলে, আমাৰ দেশৰ ধাৰাণে যেইআখাৰ বোলো, তাক তহঁতে আচৰিবি। যদি নাচৰিবি মহাপ্ৰচণ্ড স্বৰ্গীমহাৰাজা তহঁতক এখেত কোনোখাৰ কৰি যদি পাৎসালৈ জনাই যায়, বড়া কথা কৰিলতহে এনে কৰিলোঁ, তেবে পাৎসা কোনো আখাৰ বুলিবনে কি? এতেকে দেশৰ ধাৰাণে কথা আচৰিবি। এইবুলি দুইকো ২০০ সোণ, ২০০০ ৰূপ দিলে। সিহঁতে বোলে, তোমাৰ যেনে অভিৰুচি তাকে কৰিম। পাচে বুঢ়াগোহাঞে কটকী তোলা ধাৰাণে সমাজ পাতি হোলোঙ্গত ৰাজা-দেৱক বহুৱাই কটকীক অনালে। কটকীয়ে বোলে, স্বৰ্গীৰাজা দো-চাৰি পাও আগবাঢ়ি পাৎসাৰ চুবপাও লব পাই। বুঢ়াগোহাঞে বোলে, বন্দী বঙ্গালে এনেকৈ বুলিব পাইনেকি? দৈৱবশত থাকি একবাৰ জিকিছে বুলি, আমাৰ দেশৰ ধাৰাণ কিয় এৰা যাব। পাৎসাৰ চুবপাও অনিয়মে লব নাপাই। তঞি আমাৰ মানুহৰ হাতত দে। পাচে মহাৰাজা নিয়মে পিন্ধিব। এইবুলি কুকুৰাচোৱাৰ হাতে অনাই পাচফালে নি ৰবভণ্ডাৰত থলে। ১৯২॥

আতন বুঢ়াগোহাঁইৰ উপদেশ।—১৫৮৬ শকত ৰাজাদেৱে তিনিজনা ডাঙ্গৰীয়া প্ৰমুক্তে সকলকো আনি বোলে, মোৰ পুথাউ-পুলিনে লোকৰ তলপ হৈ থোৱা নাই। এতিয়া মই লোকৰ তলপ হৈ থাকিব নোৱাৰোঁ। বঙ্গালক খেদি পূৰ্ব্বৰ থানা গুৱাহাটী লৈ

দেইক। বাঁহগড়ীয়া বুঢ়াগোহাঁয়ে বোলে,—"ৰাজা হলে শত্ৰুক 86
মাৰি-কাটি আপোনাৰ সীমনাক বাখিব লাগে। তেবেসে যশ-ধৰ্ম্ম
বৃদ্ধি হয়। এতেকে দেৱে উত্তমকেহে কৈছে। কিন্তু ৰাজ্যো
ভাগিছে। এতিয়াহে দেৱে চপাই আনি পূৰ্ব্বৰ ঠায়ে-ঠায়ে পাতিছে।
তাৰ চাউলকঠাকানিখান হৈছে নহৈছে তাকো বিচাৰ কৰিব লাগে।
সকলো দ্ৰব্যত কৰি চাউলকঠাহে প্ৰধান। তাৰ বিকল হলে কোনো 87
কাৰ্য্য সিদ্ধ নহয়। আৰু নাও-নাৱৰাখান, আহিলা-পাতি, ভাগে-
ভাগে যি দিবলগা এতিয়া দেৱে সুধিলে বুলিব, আছে, জোৰাই দিব
পাৰিম। কাৰ্য্যৰ বেলা দিব নোৱাৰিব। তেতিয়া তাক কাটিলে-
মাৰিলে কোনোখাৰ নহব। কোনো সময়ত নাও আহিলাপাতি
সমস্তো পৰিবলৈ আছে। আৰু যদি দুই-চাৰি বৎসৰ লাগি থকা
গল, এতিয়া ভণ্ডাৰত অধিকা-অধিক নহলে, তেতিয়া কিৰূপে জোৰাই
দিয়া যাব? এতিয়া বিচাৰ কৰি নিয়ম নকৰিলে, সময়ত কাটিলে-
মাৰিলে কাৰ্য্য নহব। আৰু কাণ্ডী পাইকে পৰলীয়া চাউল একঠা
খাবৰ নিমিত্তে দুকড়া কড়িৰ চৰু এটি আনে। সকলো মুলি এবুৰি
কড়িৰ বেহানি, সেয়ে হানি হয় বুলি, তলিত কাণত দুবাৰ-তিনিবাৰ
টুকুৰিয়াই চাইহে আনে। আৰু চৰাএ গছত বাসা লৈ পোৱালি
জগাই। কিছু শকত হলে, ইডালে-সিডালে লৈ ফুৰাই, উৰিব
পাৰিলেহে মাটিলৈ নমাই। তাতো আপুনি আহাৰ কৰিব পাৰিলেহে
লগ এৰে। এনেৰূপে প্ৰমাণ কৰি দেৱে যদি কাৰ্য্যত মন দিব তেবে
শত্ৰুক মাৰি পূৰ্ব্ব সীমনাত ৰাজ্য ৰাখিব পাৰিব।" ১৯৩॥

অসমৰ ৰণোত্তম।—পাচে ৰাজাদেৱে গোহাঁইৰ বাক্যক শলাগি
লৈ ভাগে-ভাগে আজ্ঞা কৰিলে। বোলে দণ্ডি কৰি খেতি-কিৰিষিকো
কৰাউক, চহৰতো দোৱাল-তেৱাল দুইবিধ মানুহ, গধূলি-গধূলি ধনু-
কাণ্ডো মাৰিব। এই নিৰন্ধ কৰি নিতান্তে ৰাজাদেৱে গুলাই
কাণ্ডীকো কাণ্ডি মৰাই, হিলৈদাৰিকো হিলৈ মৰাই নাওশাল,
খাবঘৰলৈকো অহা-যোৱা কৰি আহিলা-পাতি সমস্তকো নিয়ম কৰি

তিনিজনা ডাঙ্গৰীয়া প্ৰমুক্ষে সকলকো আনি বোলে, নিৰন্ধৰ স্থুব লগা বস্তু সকলো হৈছে। এতিয়া বঙ্গালক ধৰিব খোজোঁ, কি বোলাহঁক। বাঁহগড়ীয়া বুঢ়াগোহাঁইয়ে বোলে, তাক এতিয়া ধৰিবহে লগা, তথাপি সৈন্ত-মোহোলা কৰি চাব লাগে। শত্ৰুয়ে লখিব নোৱাৰেহেনকৈ। ৰাজাদেৱে বোলে, কোন প্ৰকাৰে মোহোলা কৰা যাব ? গোহাঁয়ে বোলে, তেলিয়াদঙ্গা পুখুৰীৰ পৰা জঁাজীলৈ আলিটিকো বন্ধা হোক। তাতে প্ৰমাণ কৰা যাওক। ১৯৪ ॥

গুৱাহাটী কামৰূপ উদ্ধাৰ।—পাচে ৰাজাদেৱে আলিক নিমিত্ত কৰি সৈন্যৰ মোহোলা লৈ ১৫৮৭ শকত তিনিজনা ডাঙ্গৰীয়া প্ৰমুক্ষে সকলকো বঙ্গালক খেদি গুৱাহাটী লবলৈ পঠালে। সিবোৰো মহাৰাজাক সেৱা কৰি ভটিয়াই গৈ ফুকনবোৰেৰে যুক্তি হৈ ৰাতি নাৱে-তৰে গৈ ইটাখুলি পাণ্ডু-শৰাইৰ বঙ্গালক কাটি-মাৰি খেদি নি মানাহা ললেগৈ। এই কথা ৰাজাদেৱে শুনি সন্তোষ হৈ সমস্তলৈকে বঁটা-প্ৰসাদ দি থানে-থানে বহিব দিলে। আতপাচে বুঢ়াগোহাঁইয়ে লাচিত ফুকনেৰে যুক্তি হৈ মহাৰাজালৈ জনাই গুৱাহাটীৰ গড়টি বান্ধিলে। ১৫৯০ শকত মহাৰাজা স্বৰ্গী হল। ভোগ্য ৭ বৎসৰ। ১৯৫ ॥

গুৱাহাটী ৰাখিবলৈ অসমীয়াৰ প্ৰতিজ্ঞা।—মাজিয়োজনা ৰাজা হলত, পাৎসাৰ আজ্ঞাৰে ৰজা ৰামসিংহ আহি মানাহত ৰহি লাচিত বৰফুকনৰ ঠাইক কটকী পঠাই বুলি আহিল, বোলে, মোক গুৱাহাটী এৰি দিয়োক। আৰু তিনিলাখ ৰূপীয়া দিম, শপতকো কৰি বোলো, তাতকৈ যদি আমি বাঢ়ো, মুকুতাত ধৰি বোলো, মহালক্ষ্মীয়ে এৰিব, তৰোৱালত ধৰি বোলো, মহাকালীয়ে খাব, মাধৱৰ গাত ধৰি বোলো, সেই ঈশ্বৰে দণ্ডিব, উপৰিপুৰুষো নৰকত পৰিব। এইকথা বৰফুকনে ফুকনবোৰেৰে সমালোচনা হৈ গুৱাহাটী এৰি দিবৰ মনে মহাৰাজালৈ জনাই পঠালে। ৰাজাদেৱে তিনিজনা ডাঙ্গৰীয়া প্ৰমুক্ষে বৰফুকন সকলতো শুধিলে। বাঁহগড়ীয়া বুঢ়াগোহাঁইয়ে বোলে, যদি গুৱাহাটীৰ গড় এৰি দিয়া যাব, তেবে আমি গৰ্গাঞ্চকো